পাঠ- ৮

# আমাৰ অনুষ্ঠান-প্ৰতিষ্ঠান

C7E9V1



তোমালোকে বিদ্যালয়, মন্দিৰ, মছজিদ, ডাকঘৰ, বেংক, আৰক্ষী চকী, চিকিৎসালয় আদিৰ বিষয়ে শুনিছানে ? এইবিলাক একো একোটা অনুষ্ঠান বা প্ৰতিষ্ঠান। আমাৰ প্ৰয়োজনীয় বিভিন্ন কাম-কাজ এই অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ যোগেদি কৰা হয়।

### কেইটামান অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ে আলোচনা কৰোঁ আহা—

#### ডাকঘৰ




- ছবিত দেখা অনুষ্ঠানটোৰ নাম কি লিখা।

### জানি লওঁ আহা—

- ডাকঘৰৰ যোগেদি চিঠি-পত্ৰ অনা-নিয়া কৰাৰ উপৰি টকা-পইচাৰো আদান-প্ৰদান কৰা হয়।
- কিছুমান ডাকঘৰত আধুনিক যোগাযোগ ব্যৱস্থা যেনে- টেলিগ্ৰাম, টেলিফোন আদিৰো সুবিধা থাকে। ফেক্স এক আধুনিক যোগাযোগ ব্যৱস্থা। কোনো কোনো ডাকঘৰত ফেক্সৰ ব্যৱস্থাও আছে।



- ডাকঘৰৰ চিঠি-পত্ৰ, টকা-পইচা আদি বিলোৱা মানুহজনক ডাকোৱাল বা পোষ্টমেʼন বোলে।
- ডাকঘৰৰ সকলোবোৰ কাম চোৱা-চিতা কৰা মানুহজনক পোষ্টমাষ্টৰ বোলে।

#### চিকিৎসালয়




- কাষৰ ছবিখনত দেখা অনুষ্ঠানটোৰ নাম কি লিখা।
- ইয়ালৈ মানুহ কিয় আহে কোৱা।
- ৰোগীবিলাকক চিকিৎসা কৰিবলৈ ইয়াত কোন কোন থাকে কোৱা।

### জানি লওঁ আহা—

- ৰোগীৰ চিকিৎসাৰ বাবে ঠায়ে ঠায়ে চৰকাৰী আৰু বেচৰকাৰী চিকিৎসালয় আছে।
- চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ বাবে ডাক্তৰ আৰু ৰোগীক চোৱা-চিতাৰ বাবে নাৰ্ছ থাকে।
- পশু-পক্ষীৰ চিকিৎসাৰ বাবেও পশু চিকিৎসালয় আছে।

চিন্তা কৰি কোৱা —

তোমাৰ ককাৰৰ অসুখ বেছি হৈছে। এইক্ষেত্ৰত তুমি কি ব্যৱস্থা ল'বা।

**আৰক্ষী চকী**




- ছবিত দেখা অনুষ্ঠানটোৰ নাম কি লিখা।
- ছবিত দেখাৰ দৰে পোছাক পিন্ধা লোকসকলক আমি কি বুলি কওঁ কোৱা।
- তোমালোকৰ ঘৰৰ ওচৰত থকা আৰক্ষী চকীটোৰ নাম লিখা।




জানি লওঁ আহা—

- আৰক্ষীৰ লোকে দেশৰ শান্তি-শৃংখলা ৰক্ষা কৰে ।
- আলিবাটৰ যান-বাহন নিয়ন্ত্ৰণ কৰাত সহায় কৰে ।
- সমাজৰ অপকাৰ হোৱা কাম-কাজ কৰাত বাধা দিয়ে।

**ধৰ্মীয় অনুষ্ঠান**



- ছবিকেইখন চাই কোনখন কি ছবি লিখা।

জানি লওঁ আহা—

- ধৰ্মীয় অনুষ্ঠানবোৰত ধৰ্মীয় কাম-কাজ আৰু ৰাজহুৱাভাৱে উৎসৱ পালন কৰা হয়।

### পুথিভঁৰাল



কিতাপ আছে শাৰী শাৰী
নহয় কিন্তু পঢ়াশালি
গল্প, কবিতা, ছবিৰ কিতাপ
কত আছে আলোচনী।

পুথিৰে ভৰা এয়াই হৈছে পুথিভঁৰাল।

পুথিভঁৰালত বহি আমি তাত থকা কিতাপ-পত্ৰ পঢ়িব পাৰোঁ। পুথিভঁৰালৰ পৰা আমি কিতাপ ঘৰলৈকো আনিব পাৰোঁ। ইয়াৰ বাবে কিন্তু কিছুমান নিয়ম আছে। শিক্ষক-শিক্ষয়িত্ৰী বা আন কোনো জনা লোকৰ পৰা এই নিয়ম শিকি ল'বা।

**জানি লওঁ আহা—**

- পুথিভঁৰালত থকা নানা কিতাপ, আলোচনী আদি পঢ়াৰ ফলত বহুতো নজনা কথা জানিব পাৰি।
- পুথিভঁৰালৰ পৰা কিতাপ অনা আৰু ঘূৰাই দিয়াৰ কিছুমান নিয়ম আছে।
- পুথিভঁৰালৰ পৰা কিতাপ আনি পঢ়াটো ভাল অভ্যাস ।
- নিজৰ নিজৰ ঘৰতো একোটাকৈ সৰু পুথিভঁৰাল পাতিব পাৰি।

### ক্ৰিয়া-কলাপ

তোমালোক প্ৰত্যেকেই নিজৰ ঘৰৰ পুৰণি বা নতুন কিতাপ, ৫ খনকৈ পুৰণি খবৰ কাগজ, আলোচনী আদি গোটাই ঘৰৰ এটা কোণত সজাই ৰাখা। আজৰি সময়ত সকলোৱে মিলি এইবোৰ পঢ়িবা।

### বিদ্যালয়



- ছবিত দেখা অনুষ্ঠানটোৰ নাম কি লিখা।
- তোমালোকৰ বিদ্যালয়খনৰ নাম কি লিখা।
- বিদ্যালয়খনৰ প্ৰধান শিক্ষক বা শিক্ষয়িত্ৰীগৰাকীৰ নাম কি লিখা।
- পাঠত দিয়া বিদ্যালয়ৰ ছবিখনৰ লগত তোমালোকৰ বিদ্যালয়খনৰ কি কি মিল আৰু অমিল আছে লিখা।

**জানি লওঁ আহা—**

- বিদ্যালয়ত লিখা-পঢ়াৰ উপৰি নাচ-গান, খেল-ধেমালি, কবিতা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা আদি পতা হয়।
- বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা আছে ।
- নিজৰ ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা আৰু আন আন দিশত কিমানখিনি আগবাঢ়িছে সেই বিষয়ে জানিবলৈ অভিভাৱক বিদ্যালয়লৈ আহে ।
- বিদ্যালয়ৰ সকলো কথাতে জড়িত কৰিবলৈ ৰাইজক মাজে-সময়ে বিদ্যালয়লৈ মাতিব লাগে।
- বিদ্যালয়ৰ উন্নয়নৰ কাম, যেনে—ঘৰ-দুৱাৰ মেৰামতি কৰা, চৌহদত বেৰ দিয়া, খোৱাপানীৰ ব্যৱস্থা কৰা, শৌচাগাৰ আৰু প্ৰস্ৰাৱাগাৰ নিৰ্মাণ কৰা আদি কামত ৰাইজেও সহায় কৰিব লাগে।

**দলত আলোচনা কৰি কোৱা —**

বিদ্যালয়ৰ কি কি কামত ৰাইজে সহায় কৰিব পাৰে?

বিদ্যালয়ত লিখা-পঢ়াৰ বাহিৰে তোমালোকে আন কি কি কাম কৰা?

বিদ্যালয়খন পৰিষ্কাৰকৈ ৰাখিবৰ বাবে তোমালোকে কি কি কৰা?

বিদ্যালয়ৰ চৌহদত কি কি গছ আছে? এই গছৰ পৰা কি কি সহায় পাইছা?

- পাঠৰ আদিতেই দিয়া ছবিখনত থকা ভিন ভিন অনুষ্ঠানৰ নামবিলাক নিজৰ বহীত লিখা।
- তোমালোকৰ অঞ্চলত কি কি অনুষ্ঠান-প্ৰতিষ্ঠান আছে দলত আলোচনা কৰি তাৰ এখন তালিকা প্ৰস্তুত কৰা।

## অনুশীলনী

১) উত্তৰ লিখা —

(ক) ডাকঘৰৰ চিঠি-পত্ৰ বিলোৱা মানুহজনক কি বোলে?

(খ) ৰোগীবিলাকক কোন প্ৰতিষ্ঠানত চিকিৎসা কৰা হয়?

(গ) চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ বাবে কোন কোন থাকে?

(ঘ) ডাকঘৰত থকা আধুনিক যোগাযোগ ব্যৱস্থাৰ নাম কি?

২) খালী ঠাই পূৰ কৰা —

(ক) ________________ যোগে চিঠি-পত্ৰ অনা-নিয়া কৰা হয়।

(খ) পশু-পক্ষীৰ চিকিৎসাৰ বাবে ________________ আছে।

(গ) ________________ ৰ লোকে দেশৰ শান্তি-শৃঙ্খলা ৰক্ষা কৰে।

(ঘ) ________________ ৰ পৰা কিতাপ আনি পঢ়াটো ভাল অভ্যাস।

(ঙ) ধৰ্মীয় অনুষ্ঠানবোৰত ধৰ্মীয় কাম-কাজ আৰু ........................ উৎসৱ পালন কৰা হয়।

৩) তলত দিয়া বাক্যবোৰ ভালদৰে পঢ়া। তোমাৰ বিদ্যালয়ৰ লগত যি কথা খাটে, সেইটো শব্দত '✓' চিন দিয়া—

(ক) বিদ্যালয়ত জাবৰ-জোঁথৰ, ফটা কাগজ আদি পেলোৱা ঠাই নিৰ্দিষ্ট কৰি দিয়া আছে/ নাই।

(খ) শৌচ-প্ৰস্ৰাৱ কৰাৰ বাবে শৌচাগাৰ আৰু প্ৰস্ৰাৱাগাৰ আছে/ নাই।

(গ) খোৱাপানীৰ সুব্যৱস্থা আছে/ নাই।

(ঘ) বিদ্যালয়ৰ ঘৰটো ৰ'দঘাই / জেকা।

(ঙ) পানী ওলাই যাবৰ বাবে নলা-নৰ্দমাৰ ব্যৱস্থা আছে/ নাই।

৪) তলত দিয়া কামবোৰ কোনবোৰ অনুষ্ঠানৰ যোগেদি কৰা হয় লিখা —

(ক) চিঠি-পত্ৰ আদান-প্ৰদান কৰা অনুষ্ঠান

(খ) কিতাপ, আলোচনী আদি পঢ়িবৰ কাৰণে থকা অনুষ্ঠান

(গ) আইন-শৃংখলা ৰক্ষা কৰা অনুষ্ঠান

(ঘ) সমূহীয়াভাৱে নামাজ পঢ়া অনুষ্ঠান

৫) 'ক' অংশৰ লগত 'খ' অংশ আঁচ টানি মিলোৱা—

| 'ক' | 'খ' |
|---|---|
| চিকিৎসালয় | শিক্ষক-শিক্ষয়িত্ৰী |
| ডাকঘৰ | ডাক্তৰ |
| মছজিদ | পূজাৰী |
| আৰক্ষী চকী | পোষ্টমাষ্টৰ |
| মন্দিৰ | মৌলবী |
| বিদ্যালয় | আৰক্ষী বা পুলিচ |